

## জিকা ঃ

জিকা হ'ল তিয়ঁহ গোত্রৰ লতাজাতীয় বিষুৱক্রান্তীয় বা উপ-গ্রীষ্ম অঞ্চলত হোৱা শস্য। এন এজিপ্তিয়াকা আৰু এল একিউটেংগুলা শ্রেণীৰ এই ফলবিধক পাচলি হিচাপে খেতি কৰা তথা খোৱা হয়। সম্পূর্ণ পূৰঠ হোৱাৰ আগতে ইয়াৰ খেতি চপাব লাগে। সম্পূর্ণৰূপে পুৰঠ হৈ পৰিলে ই বেছি অঁহীয়া হৈ পৰে। চীন আৰু ভিয়েৎনামত পাচলিবিধ বেছ জনপ্রিয়। সম্পূর্ণ পুৰঠ হ'লে ইয়াৰ ভিতৰৰ অংশ জীম ঘঁহা-মজা কৰাৰ উপযোগীকৈ স্পঞ্জৰ দৰে হৈ পৰে। তেতিয়া ইয়াক পাক ঘৰ বা গ-ধোৱা ঘৰতো ব্যৱহাৰ কৰা হয়। ১৫০-২০০ (গৰম কালিৰ) দিনৰ ভিতৰত ই পুৰঠ হৈ উঠে। এল এজিপ্তিয়াকা শাখাৰ পাচলিবিধক গা-ধোৱা বা পাক ঘৰৰ কামত ব্যৱহাৰ কৰিব পাৰি। ইয়াৰ জাইলেম গুচ্ছখিনি বা জীম অংশটো সম্পূর্ণ পূৰঠ হোৱাৰ পিছত কোমল অংশখিনি শুকাই নিজেই ওলাই পৰে। সেই সময়ত জীমৰ বাদে ইয়াত গুটিবোৰহে থাকে। পাৰাগুৱেত ভোল আৰু অন্যান্য পাচলিৰ অংশ আৰু পূণৰ ব্যৱহাৰ যোগ্য (ৰি ছাইকেল) প্লাষ্টিকৰ সহায়ত পেনেল সজা হয়। ইয়াক ম্যানমাৰত থা-বুট-দি বুলি কোৱা হয়। খুব সম্ভৱ মণিপুৰী ছেব'ট শব্দৰ পৰাই থা-বুট -দি হৈছেগৈ।

## জাত ঃ

পুচা নাচদাৰ, চুৰেখা আৰু বিভিন্ন কোম্পানীৰ হাইব্রীড জাত।

## বীজৰ পৰিমাণ ঃ

প্রতি বিঘাত ৪৭০ গ্রামৰ পৰা ৬০০ গ্রাম।

## ৰোপণ দূৰত্ব ঃ

দুটা শাৰীৰ মাজত ১.৫-২.৫ মিটাৰ।

## বীজ সিঁচাৰ সময় ঃ

জানুৱাৰী মাহৰ পৰা মে' মাহলৈকে।

## সাৰ প্রয়োগ ঃ

প্রতিবিঘাৰ বাবে পচন সাৰ ১৫-২০ কুইন্টল, ইউৰিয়া-১২ কিলোগ্রাম, একক ছুপাৰ ফচফেট ২৪ কিলোগ্রাম আৰু মিউৰেট অব পটাচ-৬ কিলোগ্রাম। ইউৰিয়া সাৰৰ আধা আৰু সমুদায় ছুপাৰ, পটাচ গুৰি সিচাৰ আগেয়ে মাটিত প্রয়োগ কৰিব লাগে। ইউৰিয়া সাৰৰ বাকী আধা জিকাৰ গছ বগাবলৈ ধৰাৰ লগে লগে প্রয়োগ কৰিব লাগে। যদি সাৰ ভেটিত প্রয়োগ কৰা হয়, তেতিয়া প্রতিটো ভেটিত ৫-১০ কিলোগ্রাম পচন বা গোবৰ সাৰ, ইউৰিয়া- ৪-৫০ গ্রাম, একক ছুপাৰ ফচফেট-৪০-৫০ গ্রাম আৰু মিউৰেট অব পটাছ-৮০-৯০ গ্রাম প্রয়োগ কৰিব লাগে। পুলিবোৰ ঠন ধৰি উঠাৰ পিছত ১৫-২০ দিনৰ মূৰে মূৰে অণুসাৰ (১০ লিটাৰ পানীত ৫০-৭৫ গ্রাম) স্প্রে কৰিব লাগে।





### জলসিঞ্চন আৰু শস্যৰ পৰিচৰ্যা ঃ

৮-১০ দিনৰ মূৰে মূৰে জিকাৰ গছত পানী দি থাকিব লাগে। গছজোপা বগাবলৈ আৰম্ভ কৰাৰ লগে লগে জেং পুতি দিব লাগে আৰু গুৰিৰ পৰা বন-বাতবোৰ পৰিষ্কাৰ কৰিব লাগে। জিকা যদিও উভয়লিঙ্গী শস্য, ইয়াৰ পংপুষ্প আৰু স্ত্ৰী পুষ্প একেজোপা গছৰ বেলেগ বেলেগ অংশত ফুলে। স্ত্ৰী পুষ্পৰ সংখ্যা বাঢ়িলেহে জিকাৰ উৎপাদন বাঢ়ে। এই স্ত্ৰী পুষ্পৰ সংখ্যা বঢ়াবৰ বাবে পুলি দুপতীয়াৰ পৰা চাৰিপতীয়া হোৱা অৱস্থাতে ইথ্ৰেল হৰমোন (০.৬ মিলিলিটাৰ ১২ লিটাৰ পানীত মিহলাই) স্প্ৰে কৰিব লাগে।



উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# জিকা

## Ridge Guard



